# আনন্দ

**ড° জয়কান্ত শৰ্মা**

ডিছেম্বৰ মাহৰ কোমল ৰ'দখিনি পিঠিত লগাই অধ্যাপক ভদ্ৰকান্ত বৰঠাকুৰ বাৰাণ্ডাতে বহি আছিল। অৱসৰ পোৱাৰ পাছত নিতৌ ৰাতিপুৱা আৱামী চকীখনত বহি বাতৰিকাকতত চকু ফুৰোৱাটো তেওঁৰ অভ্যাস। পিছে দিনে দিনে খবৰবোৰ তেওঁৰ বাবে হৈ পৰিছে নিতান্তই গতানুগতিক আৰু বিৰক্তিকৰ। আজিও তেওঁ কাকতখন পঢ়িবলৈ হাতত লৈছিল হয়, কিন্তু শিৰোনামৰ বাতৰিকেইটা চোৱাৰ পাছত তেওঁৰ আৰু কাকত পঢ়াৰ আগ্ৰহ নাইকিয়া হ'ল। বৰঠাকুৰৰ দুচকুলৈ তন্দ্ৰা নামি আহিছিল। হঠাতে তেওঁক কোনো এক অপৰিচিত নাৰীকণ্ঠই সচকিত কৰি তুলিলে—

"ছাৰ, নমস্কাৰ।"

ঘূৰি চাই দেখে, এগৰাকী মধ্যবয়স্কা মহিলা, লগত দুজনী কিশোৰী, ভদ্ৰমহিলাৰে জীয়াৰী বুলি নিশ্চিত হ'ব পৰা চেহেৰাৰে। কিবা কাৰণত তেওঁলোকে বৰঠাকুৰকেই লগ ধৰিবলৈ আহিছে বুলি অনুমান কৰি তেওঁ আদৰণি জনালে—"আহা, আহা, ভিতৰতে বহাহি।"

মহিলাগৰাকীয়ে বিনয়েৰে ক'লে—"ভিতৰলৈ নাযাওঁ ছাৰ, বাৰাণ্ডাতে ৰ'দত বহি ভাল লাগিব।"

কথাষাৰ সঁচা, বাৰাণ্ডাখনত সুন্দৰকৈ ৰ'দ পৰে, আৰু তাত অভ্যাগতৰ বাবে দুখনমান ছোফাও পাৰি থোৱা আছে।

"হ'ব বাৰু; ইয়াতেই বহা। কিন্তু মই তোমালোকক চিনিবহে পৰা নাই।"

তিনিওজনী বহিল। অলপ সংকোচভৰা ভাবেৰে মহিলাগৰাকীয়ে ক'লে—"ছাৰ, মই আনন্দ কলিতাৰ পত্নী অহল্যা; এই দুজনী আমাৰ ছোৱালী, জান আৰু জুৰি।"

ছোৱালী দুজনীয়ে থিয় হৈ নমস্কাৰ জনালে।

মহিলাগৰাকীৰ পৰিচয়ে বৰঠাকুৰৰ মনত তড়িৎবেগে ভালমান প্ৰশ্নৰ অৱতাৰণা কৰিলে, তাতে তেওঁৰ উকা কপালত বৈধব্যৰ লক্ষণ। আনন্দ ঢুকোৱাৰ খবৰ দেখোন তেওঁ পোৱা নাছিল! অধ্যাপক বৰঠাকুৰৰ মুখমণ্ডলত প্ৰকাশ পোৱা প্ৰতিক্ৰিয়াৰ পৰাই তেওঁৰ মনত উদয় হোৱা প্ৰশ্নৰ উমান পাইছিল মহিলাগৰাকীয়ে। দোষী দোষী ভাবেৰে ব্যাখ্যা এটা দিবলৈ তেওঁ চেষ্টা কৰিলে—"ছাৰে বোধহয় এওঁ ঢুকোৱাৰ খবৰটো নাপালে। দোষটো মোৰেই, খবৰ দিয়া নহ'ল। আচলতে ইমান অকস্মাতে ঘটনাটো ঘটি গ'ল যে আমি একো তৰ্কিবই নোৱাৰিলোঁ।"

"কি হৈছিলনো আনন্দৰ?"

"অৰ্শৰ ৰোগটো তেওঁৰ বহুদিনৰে পৰা আছিল। কিন্তু সেইবাৰ অলপ বেছি হোৱাত ডাক্তৰৰ ওচৰ চাপিছিল। ডাক্তৰে কৈছিল, এটা সৰু অস্ত্ৰোপচাৰ কৰিলে ভাল হৈ যাব। অস্ত্ৰোপচাৰ কৰোৱা হ'ল, তেওঁৰ যন্ত্ৰণাৰ উপশমো ঘটিল; কিন্তু এমাহমান পাছত এদিন ৰাতি হঠাতে ৰক্তক্ষৰণ হ'বলৈ ধৰিলে, আৰু ৰাতিপুৱা ঢুকাই থাকিল। চিকিৎসা কৰোৱাবলৈ আমি কোনো সুযোগেই নাপালোঁ। তিনি বছৰেই হ'ল, তেওঁ আমাক এনেকৈ এৰি থৈ যোৱাৰ।"

অহল্যাৰ চকু দুটা সেমেকিল। বাপেকৰ স্মৃতিয়ে ছোৱালী দুজনীকো বিষণ্ণ কৰি তুলিলে।

ভদ্ৰকান্ত বৰঠাকুৰে মনে মনে হিচাপ কৰি চালে, তেওঁ অৱসৰ পোৱাৰ চাৰি বছৰ পাছৰ ঘটনা। কিন্তু আজি খবৰটোৱে তেওঁক মৰ্মান্তিক আঘাত দিলে দুটা কাৰণত। চিকিৎসা পদ্ধতিৰ চৰম উন্নতিৰ যুগতো অৰ্শত ভুগি আজিও মানুহ মৰেনে, তাতে গুৱাহাটীহেন চহৰত? তাতোকৈ ডাঙৰ কথাটো হ'ল, চাকৰিৰ পৰা অৱসৰ ল'লে বুলিয়েই তেওঁৰ নিজৰ বিভাগটোৰ সহকৰ্মী এজনৰ মৃত্যুৰ বাতৰিটো কোনেও তেওঁক জনোৱাৰ প্ৰয়োজনবোধ নকৰিলে কিয়? অথচ সকলোৰে হাতে হাতে দেখোন ম'বাইল ফোন! এনেবোৰ কথাত কোনো অজুহাতেই গ্ৰহণযোগ্য নহয়। আচলতে বেমেজালি ঘটিছে মানুহ-মানুহৰ মাজৰ সম্পৰ্কত, সেইটোকে আমি স্বীকাৰ কৰি ল'বলৈ সাহস গোটাব নোৱাৰোঁ। বৰঠাকুৰে ভাবিলে—ইও একপ্ৰকাৰৰ আত্মপ্ৰতাৰণা; সভ্যতাৰ সংকট।



কিন্তু বিষণ্ণতাৰ মাজতে তেওঁৰ চাঁত কৰে মনত পৰি গ'ল, কিছু বছৰ আগতে এদিন আনন্দও ৰাতিপুৱাতে তেওঁৰ ওচৰত উপস্থিত হৈছিল, ঠিক আজি অহল্যাহঁত অহাৰ দৰে। তেতিয়া তেওঁ অৱসৰ পোৱা নাছিল। সেইদিনা দেওবাৰ আছিল। কাকতখন হাতত লৈ অলসভাৱে বহি আছিল বাৰাণ্ডাতে, আৰু পিছফালৰ পৰা আনন্দই মাত লগাইছিল—"ছাৰ, গুড মৰ্নিং।"

বৰঠাকুৰে হাঁহি মাৰি আনন্দক বহিবলৈ দি সুধিছিল—"কি খবৰ? ব্ৰহ্মপুৰাতে ওলালাহি যে! কিবা কঠিন অংকৰ সমাধান বিচাৰি পোৱা নাই নেকি?"

ৰগৰ কৰি সুধিলেও কথাষাৰ সঁচা। আনন্দ গণিতৰ কিছুমান জটিল সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ মাজে-সময়ে তেওঁৰ ওচৰলৈ আহিছিল। কলেজত বৰঠাকুৰৰেই ছাত্ৰ আছিল আনন্দ; এতেকে মেধাৰ